সৰু। কিন্তু আহোমৰ সম্বন্ধ মতে মিলি তাইৰ বায়েক। সৰুতে এই কথা লৈয়ে যে কিমান কাজিয়া দুয়োজনীৰ! দুহাত মেলি তাই ফটোখন তুলি ল'লে আৰু এখন হাতেৰে লাহেকৈ হাত ফুৰালে। আপাকে পিন্ধি থকা গুণাফুলৰ ফেঁহুবৰণীয়া পাটকাপোৰযোৰ আৰু উঠন বুকুৰ সৌন্দর্যকো ম্লান পেলাই দৃষ্টি কাঢ়ি নিয়া আইতাকৰ যৌতুকীয়া ডালিয়া বাখৰ খটোৱা দুগদুগীপাত স্ব-গৰিমাৰে যেন সোণৰ মণিধাৰত ওলমি আছে। আৰু এসময়ৰ ধুনীয়া আপাকজনীৰ সৌন্দর্যৰ সাক্ষী হৈ সোণালী সময়ক সামৰি যেন ৰৈ আছে ফটোখন। নিচাদেৰেক নাই ফটোখনত। ফটোখনতেই নহয়—ঘৰখনতো নিচাদেৰেকৰ কোনো অস্তিত্ব আজি নাই। কিন্তু ঘৰখনৰ মানুহবোৰৰ মনৰ অতি গোপন কোণত এচেৰেঙা অনুভৱ হৈ হয়তো আছে। চ'ৰাঘৰৰ সোঁহাতে থকা, আপাকে আটোমটোকাৰিকৈ সজাই থোৱা কোঠাটোত সোমাই তাইৰ তেনে অনুভৱেই হ'ল। মেহগনি কাঠৰ প্ৰকাণ্ড বিছনাখনেই নহয়—আঁঠুৱাৰ মাৰিকেইডালো কজলা ৰংটোৰে চিকচিকাই আছে। এমূৰে গপচ এডাল আলনা, আনমূৰে বিছনাৰ ৰঙৰ লগত মিলা ৰঙৰ আলমাৰিটো আৰু খিৰিকীৰ কাষত প্ৰকাণ্ড ড্ৰেছিং আইনাখন। বিছনাৰ কাষতে নাতি দূৰত চাকি থোৱা ষ্টেণ্ডৰ ওপৰত এটা সুদৃশ্য পিতলৰ চাকি। —সজীৱ গাম্ভীর্যৰে কোঠাটো ভৰি আছিল। ইনভাৰ্টাৰ থকা ঘৰখনত চাকিটো অপ্ৰাসংগিক যেন লাগিছিল। কিন্তু কোঠাটোৰ স্বকীয়তাক প্ৰতিপালন কৰিবলৈকে চাগে চাকিটোৰ উপস্থিতি আনিবাৰ্য আছিল। সলনি বহুত কিবাকিবি চকুত পৰিলেও এই কোঠাটোৱে টাইম মেচিনৰ দৰেই আইচেংফাক তাইৰ শৈশৱলৈ ঘূৰাই লৈ গ'ল। আচবাব, আচবাব থোৱা ঠাই, পৰ্দা, ড্ৰেছিং টেবুলত পাৰি থোৱা আপাকে নিজহাতে কৰা ক্ৰুছ ষ্টিচ্ছ কাপোৰখনৰ একো সলনি হোৱা নাই। ৰংবোৰ অলপ উৰলি গৈছে, তথাপি চাকচিক্যই বুজাই দিয়ে কোঠাটোত কাৰোবাৰ বিশেষ হাতৰ পৰশ। ঘৰখনৰ বাকীবোৰ ঠাইত সেই যতনৰ অলপ অভাৱ দেখা যায়। এই সুসজ্জিত কোঠাটো কোনেও ব্যৱহাৰ নকৰে। আপাকে যেন জীৱনৰ সমৃদ্ধিশালী সময়খিনি বন্দী কৰি থৈছে এই বিশেষ কোঠাটোত।

সেইটো কোঠাৰ তন্ময়তাৰপৰা ওলাই তাই লাহেকৈ বৰ্তমান আপাক থকা কোঠাটোত সোমাল। এইটো কোঠা এতিয়া বহুত সলনি হ'ল। ঘৰখনত নিচাদেৰেকে নিজৰ অস্তিত্ব হেৰুৱাৰ দিনটোৰপৰাই এই কোঠাটোৱে বেলেগ মৰ্যাদাৰে নিজৰ অস্তিত্ব ঘোষণা কৰিলে। যুৱীয়া জীৱন আৰম্ভ কৰা নিজৰ হেঁপাহৰ কোঠাটোৰ ৰূপ-ৰং-গন্ধ-স্পৰ্শৰপৰা আঁতৰি এই কোঠাত আপাকে সন্ন্যাসিনীৰ জীৱন আৰম্ভ কৰিলে। এখন খাট, এযোৰ টেবুল-চকী, এডাল আলনা আৰু মাটিত বহিবলৈ এখন দলিচাৰে সিটো কোঠাৰ আড়ম্বৰতাৰ সম্পূৰ্ণ বিপৰীত ৰূপ এটা এইটো কোঠাই প্ৰতিফলিত কৰে। আগতে এই কোঠাটো টিভি চোৱা কোঠা আছিল। প্ৰতি দেওবাৰে একোঠালি মানুহৰ উশাহ-নিশাহ কঢ়িয়াইছিল এইটো কোঠাই। ঢাৰিয়ে-মাটিয়ে বহি ল'ৰাৰপৰা বুঢ়ালৈকে গাঁওখনৰ একোঠালি মানুহে 'মহাভাৰত' চাইছিল এইটো কোঠাত। তাই ঘূৰি গ'ল আকৌ সেই দিনটোলৈ। সেইদিনা মহাভাৰতত শ্ৰীকৃষ্ণৰ বিশ্বৰূপ দৰ্শন আছিল। কোঠাটোত অন্য দিনতকৈ মানুহ অলপ বেছি আছিল। মানুহবোৰে পৰি পৰি ভগৱানৰ বিশ্বৰূপক সেৱা জনাইছিল। বিশ্বৰূপ দৰ্শন কৰি টিভি চোৱা মানুহবোৰ ঘৰাঘৰি যোৱাৰ অলপ পাছতে তাইৰ নিচাদেৰেকে তেওঁৰ কাহানিও নেদেখা ৰূপটো দৰ্শন কৰাইছিল ঘৰখনৰ মানুহবোৰক। কিমান বয়স আছিল তাইৰ! চাৰি বছৰ নে পাঁচ বছৰ! মনত নাই। তেনেকুৱাই কিবা আছিল, কাৰণ চিঞৰ-বাখৰবোৰৰপৰা অলপ কিবা বুজিছিল কিন্তু বহুত কথা বুজাও নাছিল। আজিও বহুত কথাই নুবুজাকৈয়ে থাকি গ'ল। হুলস্থূল শুনি তাই, মিলি আৰু কনচেং পিছফালৰ বুলনি চ'ৰাৰ দৰে ব্যৱহৃত ঠাইখন পাইছিলগৈ। তাই দেখিছিল আপাকে স্থানুৰ দৰে বহি অচিনাকি যেন লগা নিজৰ মানুহজনলৈ চাই আছিল। নিচাকে উদং গাতে গামোচা এখন ছাটি মাৰি লৈ পায়চাৰি কৰি আছিল। তেওঁৰ ডিঙিত ওলমি থকা সোণৰ চেইনডালত তাইৰ চকু পৰিছিল আৰু তাইৰ এতিয়া মনত পৰিলে এনে লাগে যেন নিচাকে কৰিব নোৱৰা লম্ফ-জম্ফখিনি সেই চেইনডালে দুলি দুলি বৰ সঠিককৈ ৰূপায়ণ কৰিছিল। তাইৰ আইতাকজনীয়ে বিয়নীয়েকৰ সন্মুখতে বহি কৈ আছিল—

"ছোৱালীৰ সুখেইহে মাক-দেউতাকৰ সুখ! কি চাবলৈ আহিছিলোঁ আৰু কি দেখিলোঁ। এইবোৰ চাবলৈ নাহোঁ আৰু মই।"

—এইবুলি পীৰাত হেঁচন দি আইতাক থৰক-বৰককৈ উঠিছিল। আইতাকৰ মাতটো পাছলৈ বিননিৰ দৰে শুনা গৈছিল। হঠাৎ আপাকৰ সিহঁত তিনিটাৰ ওপৰত চকু পৰাত—

"তহঁত ভিৰতলৈ যা। ডাঙৰৰ কথা শুনিব নাপায়।" —কি শীতল আছিল আপাকৰ কণ্ঠ! সিহঁত আকৌ এইটো কোঠালৈকে সোমাই আহিছিল। টিভিটো চলি আছিল তেতিয়াও। টিভিৰ শব্দক চেৰ পেলাই কিছুমান টুকুৰা কথা কাণত আহি পৰিছিল। তাই যেতিয়া সেই টুকুৰা কথাবোৰ যোৰা লগাবলৈ চেষ্টা কৰিছিল কনচেঙে তেতিয়া খঙত ৰঙাপৰা মুখখন লুকুৱাই কলম এটা দুটুকুৰাকৈ ভাঙিছিল।

তাৰ পাছত ঘৰখনত, আপাকৰ জীৱনত নিচাদেৰেকৰ অস্তিত্ব হেৰাই গৈছিল। ঘুনুক-ঘানাককৈ তাই বহু কথাই শুনিছিল। কিন্তু এই শুনা কথাবোৰৰ আউল ভাঙি সজাই ল'ব পৰাকৈ তাই পৰিপক্ক নাছিল। আৰু পৰিপক্ক হোৱাৰ পাছত সেই মানুহজনৰ প্ৰতি তাইৰ আগ্ৰহ হেৰাই গৈছিল। এইকেইদিনত উৰি উৰি আৰু এটা খবৰ আহিছে। এখন পাহাৰীয়া জিলাৰ কোনোবা এখন পৰিপূৰ্ণ ঘৰত পৰিত্যক্ত হৈ নিচাকে জীৱনৰ অন্তিম দিনবোৰ গণিছে আৰু আপাকক এবাৰ চাবলৈ হেঁপাহ কৰিছে। আজি দেউতাকে পঁইতা ভাত খোৱাৰ অজুহাতত সেই খবৰটো দিবলৈকে আহিছে।

"ভোক লাগিছে বুলি কৈ এতিয়া কিনো চাই ফুৰিছ? ইহঁতক মাতিছোঁ; আহি আছে। ভাত বাঢ়োঁ আহ।"

বোৱাৰী অলি নাই। জহৰ বন্ধত কনচেং সপৰিয়ালে গুৱাহাটীলৈ গৈছে। তাই আপাকক সহায় কৰি দিবলৈ গৈ দেখিলে সকলো কামতে চিজিল মানুহজনীয়ে পানীৰ গিলাচকেইটাও ভৰাই থৈছে। তাইলৈ একো কামেই ৰাখি থোৱা নাই। খোৱা কোঠাৰ গাতে লগা পাকঘৰটোলৈ তাই সোমাই গ'ল—এফালে ৰন্ধনগেছ, চিমনি, একুৱাগাৰ্ড আদিৰে সজ্জিত গোলকীয়কৰণৰ আমদানিকৃত ৰন্ধন ব্যৱস্থা আৰু আনফালে পৰম্পৰাগত জুহাল, ধোঁৱাচাং। অৱশ্যে জুহালৰ ওপৰতো চিমনি এটা থকাৰ কাৰণে ধোঁৱাচাংখন জুহালৰপৰা অলপ আঁতৰত। জুহালখন আপাকৰ এৰাব নোৱৰা প্ৰয়োজন। বিহুৰে-সংক্ৰান্তিয়ে মিতুকত দিয়া কামভাগ খৰিৰ জুই নহ'লে নচলে। সৰুতে জাৰৰ দিনৰ তাইৰ সন্ধিয়াবোৰ এই জুহালৰ ওচৰতে পাৰ হৈছিল। চেৱাদিয়া ভাত জুইৰ ওপৰত আৰু তলৰ পকা অঙঠাত পাতপিঠা, নানা তৰহৰ পোৱা আলু, হাঁহৰ ঠেং পোৱা আদিৰ জুতি আৰু ধোঁৱা আৰু এৰীয়া কাপোৰৰ উমাল গোন্ধ লৈ আধা পোহৰ আধা ছাঁত শুনা ভূতৰ সাধুবোৰৰ কি যে মাদকতা আছিল! আজিৰ ঘৰবোৰত সময়ে জুহালৰ ঠাইকণ ঠেকাই পেলালেও আপাকৰ ঘৰত তাৰ সদম্ভ অস্তিত্ব তাই দেখিবলৈ পালে।

ইতিমধ্যে চ'ৰাঘৰেদি দেউতাকহঁতো কথা পাতি পাতি খোৱা ঠাই পালেহি। খোৱা টেবুলখন জিভাৰ পানী সৰোৱা বিবিধ গোন্ধেৰে মলমলাই আছিল। কেতেকীজহা চাউলৰ ভাতৰপৰা এটা মিহি গোন্ধ তাইৰ নাকত লাগিলহি। তাই এফালৰপৰা ঢাকনবোৰ উদিয়াই গ'ল। মধুসোলেং দিয়া মচুৰ দাইল, ঢেঁকীয়াৰ শুকান ভাজি, মেটেকা ফুল পাতত দিয়া, পকা খৰিচা দি সিজোৱা সৰু মাছ, মোৱা মাছ পাতত দিয়া, খৰিকাত দিয়া পুঠি, খৰিচা আৰু কণ জলকীয়া দি পোৱা কঁঠালগুটি পিটিকা।

"জানত চেপা পাতিবলৈ দিছিলা নেকি আপা?"

"অঁ! তহঁত বাপেক-জীয়েক দুয়োটাই ভাল পাৱ যে। চিন্তনে ভাল পাৱ নে নাই নাজানো। অকলে যি পাৰোঁ যোগাৰ কৰিছোঁ আৰু।"